I/548534/2024

# অসম চৰকাৰ

## হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়

ই.চি.এফ. নং-৪৮৬১৯৮/৩ তাৰিখঃ ১০/০৫/২০২৪

## নামভৰ্তিৰ জাননী

কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ভাৰতীয় হস্ততাঁত প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান,খানাপাৰা, গুৱাহাটীৰ দ্বাৰা পৰিচালিত হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ তিনিবছৰীয়া ডিপ্লমা পাঠ্যক্ৰম, ২০২৪-২৫ ৰ প্ৰথম ষাণ্মাসিকত আৰু দ্বিতীয় বাৰ্ষিক (৩য় ষাণ্মাসিক) ত প্ৰান্তীয়ভাৱে নামভৰ্তিৰ বাবে ইচ্ছুক অসমৰ স্থায়ী বাসিন্দাৰ পৰা অহা ইং ৩ জুন ২০২৪ তাৰিখৰ ভিতৰত আবেদন পত্ৰ প্ৰয়োজনীয় প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত নকল সংলগ্ন কৰি গুৱাহাটীৰ আমবাৰীস্থিত হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ত জমা দিবলৈ অনুৰোধ জনোৱা হ'ল। প্ৰাৰ্থী সকলে সঞ্চালকালয় নাইবা সঞ্চালকালয়ৰ অধীনস্থ বিভিন্ন জিলা, মহকুমা পৰ্য্যায়ৰ সহকাৰী সঞ্চালক/অধীক্ষকৰ কাৰ্য্যালয়ৰ পৰাও আবেদন পত্ৰ আৰু বিষদ তথ্য সংগ্ৰহ কৰিব পাৰিব। বিভাগৰ website: dht.assam.gov.in তো আবেদন পত্ৰ উপলব্ধ হ'ব।

(ক) শিক্ষাগত অৰ্হতাঃ-

১) প্ৰথম বাৰ্ষিকৰ বাবে প্ৰাৰ্থী হাইস্কুল শিক্ষান্ত পৰীক্ষা অথবা ইংৰাজী বিষয় সহ সমপৰ্য্যয়ৰ পৰীক্ষাত অতি কমেও ৩৫% নম্বৰ পোৱা বাঞ্চনীয়।

২) দ্বিতীয় বাৰ্ষিকৰ বাবে প্ৰাৰ্থী পদাৰ্থ,ৰসায়ন,অংক বিষয় সহ উচ্চতৰ মাধ্যমিক পৰীক্ষা উত্তীৰ্ণ হোৱা বাঞ্চনীয়।

অথবা

প্ৰাৰ্থী দশম শ্ৰেণী + যি কোনো চৰকাৰী প্ৰতিষ্ঠানৰ পৰা ২ বছৰীয়া বস্ত্ৰশিল্প (টেক্সটাইল) পাঠ্যক্ৰম উত্তীৰ্ণ হ'ব লাগিব।

অথবা

দশম শ্ৰেণী + এইচ. টি. আই. উত্তীৰ্ণ হ'ব লাগিব।

অথবা

দশম শ্ৰেণী + বস্ত্ৰশিল্পৰ ২ বছৰীয়া আই. টি. আই. উত্তীৰ্ণ হ'ব লাগিব।

(খ) প্ৰথম ষাণ্মাসিকত নামভৰ্তীৰ বাবে সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থী সকলৰ বয়স অহা ০১ জুলাই ২০২৪ ত ১৫-২৩ বছৰৰ ভিতৰত হ'ব লাগিব আৰু অনুসূঁচীত জাতি/জনজাতিৰ প্ৰাৰ্থী সকলৰ বয়স ১৫-২৫ বছৰৰ ভিতৰত হ'ব লাগিব।

(গ) দ্বিতীয় বাৰ্ষিক (৩য় ষাণ্মাসিক) ত প্ৰান্তীয়ভাৱে নামভৰ্তীৰ বাবে সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থী সকলৰ বয়স অহা ০১ জুলাই ২০২৪ ত ২৫ বছৰ আৰু অনুসূঁচীত জাতি/জনজাতিৰ প্ৰাৰ্থী সকলৰ বয়স ২৭ বছৰৰ ভিতৰত হ'ব লাগিব।

(ঘ) অনুসূঁচীত জাতি/জনজাতি/অন্যান্য পিছপৰা/অতি অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থী সকলৰ বাবে চৰকাৰী নিয়ম অনুযায়ী আসন সংৰক্ষনৰ ব্যৱস্থা থাকিব।

(ঙ) মুঠ আসনৰ ২০% শিপিনী সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ বাবে বিশেষ ভাৱে সংৰক্ষনৰ ব্যৱস্থা থাকিব। শিপিনী সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ আবেদন নেপালে সেই আসন অন্য প্ৰাৰ্থীৰ দ্বাৰা পূৰণ কৰা হ'ব।

(চ) মুঠ আসনৰ ১০% আসন অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে থাকিব।

(ছ) প্ৰাৰ্থীসকলৰ বুদ্ধিমত্বাৰ ওপৰত ভিত্তি কৰি নামভৰ্তিৰ তালিকা প্ৰস্তুত কৰা হ'ব।

Signed by Paragmoni Mahanta
Date: 10-05-2024 13:44:30
Reason: Approved

সঞ্চালক
হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসম।